# জাতীয়তাবাদ সম্পৰ্কে নেহেৰুৰ ধাৰণা
## (Nehru's Views on Nationalism)

জৱাহৰলাল নেহেৰু এজন জাতীয়তাবাদী আছিল। কিন্তু এই ক্ষেত্ৰত তেওঁৰ দৃষ্টিভঙ্গী বহল আছিল। নেহেৰুৰ জাতীয়তাবাদৰ ধাৰণাত কোনো ধৰণৰ সঙ্কীৰ্ণতা দেখিবলৈ পোৱা নাযায়। এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে জাতীয়তাবাদ সম্পৰ্কে তেওঁ কোনো নতুন তত্ত্ব ডাঙি ধৰা নাছিল। তেওঁ জাতীয়তাবাদক এটা গুৰুত্বপূৰ্ণ ধাৰণা বুলি বিবেচনা কৰিছিল।

নেহেৰুৱে বিশ্বাস কৰিছিল যে ভাৰতবৰ্ষত বিভিন্ন বিষয়ত পাৰ্থক্য থাকিলেও বুৰঞ্জীয়ে প্ৰমাণ কৰে যে ইয়াৰ জনসাধাৰণৰ মাজত একতা বিৰাজ কৰি আছে। নেহেৰু ভাৰতীয় জাতীয়তাবাদৰ আদৰ্শক লৈ গৌৰৱান্বিত হৈছিল। তেওঁৰ মতে জাতীয়তাবাদ হ'ল আত্মপ্ৰকাশ আৰু আত্মবিকাশ কৰাৰ এটা মহৎ উপায়। জাতীয়তাবাদৰ যে এটা অনুভূতিমূলক দিশ আছে সেইটোক নেহেৰুৱে উপলব্ধি কৰিছিল।

জৱাহৰলালে এঠাইত কৈছে যে অতীতৰ সাফল্য, ঐতিহ্য আৰু অভিজ্ঞতাই জাতীয়তাভাব জগাই তোলাত সহায় কৰে। তেওঁৰ মতে আধুনিক কালত জাতীয়তাবাদৰ প্ৰভাৱ আগতকৈ শক্তিশালী হোৱা দেখা যায়। এতিয়া মানুহ জাতীয়তাবাদৰ আদৰ্শৰ দ্বাৰা সোনকালে প্ৰভাৱান্বিত হয়। নেহেৰুৰ মতে জাতীয়তাবাদৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক ভিত্তি আছে। এইবিলাকে জাতীয়তাবাদক শক্তিশালী হোৱাত সহায় কৰে।

Scanned by CamScanner

নেহেৰুৱে আত্মনিয়ন্ত্ৰণৰ অধিকাৰক সমৰ্থন কৰিছিল। প্ৰত্যেক জাতিৰে নিজৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ আছে। তেওঁ এই সম্পৰ্কে ব্ৰুছেলচত অনুষ্ঠিত সন্মিলনত নিজৰ মতামত ডাঙি ধৰিছিল। তেতিয়া তেওঁ ভাৰতবৰ্ষৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছিল। তেওঁ সংবিধান সভা গঠনৰ জৰিয়তে ভাৰতীয় জনসাধাৰণৰ মাজত একতাৰ ভেঁটি সুদৃঢ় কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।

নেহেৰুৰ জাতীয়তাবাদী ধাৰণাৰ বিকাশৰ তিনিটা কাৰণ আছে। প্ৰথমে, ইংৰাজৰ জাতিগত মনোভাৱে নেহেৰুক বিচলিত কৰিছিল। ইংৰাজৰ এই নীতিৰ ফলত উদ্ভৱ হোৱা বিকট অভিজ্ঞতা তেওঁ আৰু তেওঁৰ পৰিয়ালে কিছু পৰিমাণে ভোগিছে। এয়ে তেওঁক জাতীয়তাবাদী মনোভাব গঢ় লোৱাত সহায় কৰিছে। নেহেৰুৰ জাতীয়তাবাদ তত্ত্বৰ দ্বিতীয় কাৰণ আছিল অৰ্থনৈতিক। ইংৰাজে যিদৰে ভাৰতক শোষণ কৰিছিল, ইয়াৰ পৰা নিজকে ৰক্ষা কৰাৰ একমাত্ৰ উপায় আছিল জাতীয়তাবাদী ভাবধাৰাক জনসাধাৰণৰ মনলৈ আনি ইয়াৰ বলত ইংৰাজক ভাৰতৰ পৰা বিতাৰণ কৰা। নেহেৰুৰ জাতীয়তাবাদৰ তৃতীয় মূল হ'ল ৰাজনৈতিক আৰু প্ৰশাসনিক। তেওঁ দেখিবলৈ পাইছিল যে পৰাধীন ভাৰতীয়সকলে জাতীয়তাবাদী ধাৰণাৰ অভাৱত ইংৰাজৰ হাতত ৰাজনৈতিক আৰু প্ৰশাসনিক ক্ষেত্ৰত লাঞ্চিত হৈ আছে। সেয়েহে নেহেৰুৱে ভাৰতীয় জনসাধাৰণৰ মাজত আধুনিক জাতীয়তাবাদী আদৰ্শৰ সৃষ্টি হোৱাটো কামনা কৰিছিল। এই তিনিটা কাৰণত নেহেৰুৱে জাতীয়তাবাদী ভাবধাৰাক গ্ৰহণ কৰিবলৈ বাধ্য হৈছিল। তেওঁ অনুভৱ কৰিছিল যে ভাৰতে নিজকে এটা জাতি হিচাবে প্ৰতিষ্ঠা কৰি ইংৰাজৰ পৰা মুক্ত হ'ব নোৱাৰিলে এই দেশৰ মানুহৰ কোনো দিশতে উন্নতি নহ'ব।

জৱাহৰলাল নেহেৰুৰ জাতীয়তাবাদৰ ধৰণা ধৰ্মনিৰপেক্ষ আছিল। তেওঁ তেওঁৰ আত্মজীৱনীত হিন্দু মহাসভাক কঠোৰভাৱে সমালোচনা কৰিছে। তেওঁ হিন্দু মহাসভাক ভাৰতীয় জাতীয়তাবাদক গঢ় দিয়াৰ ক্ষেত্ৰত প্ৰতিক্ৰিয়াশীল বুলি কৈছে। নেহেৰুৱে কৈছে, "It is significant that the principal Communal leaders, Hindu or Muslim or others, are political reactionaries, quite apart from the communal questions."। নেহেৰু এজন বাস্তৱবাদী আছিল, সেয়েহে তেওঁ কৈছে যে হিন্দু-মুছলমানৰ মাজত বিৰোধৰ আচল কাৰণ ধৰ্ম নহয়, অৰ্থনৈতিকহে। এক শ্ৰেণীৰ হিন্দুৰ শোষণ নীতিৰ বিৰুদ্ধে মুছলমানসকল হিন্দু বিৰোধী হৈছে। গতিকে ভাৰতীয় জাতীয়তাবাদৰ বিকাশৰ ক্ষেত্ৰত ধৰ্মক নেহেৰুৱে এটি বাধা বুলি বিবেচনা নকৰে। অৱশ্যে, নেহেৰুৰ এই যুক্তিক বহুতে গ্ৰহণ কৰা নাই। তেওঁলোকৰ মতে ধৰ্ম হ'ল হিন্দু-মুছলমানৰ মাজত হোৱা বিৰোধৰ প্ৰধান কাৰণ।

স্বাধীনোত্তৰ কালত নেহেৰুৱে জাতীয় সংহতিৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল। নেহেৰুৱে স্বাধীনতাৰ পিছত ভাৰতত কিছুমান বিচ্ছিন্নতাবাদী শক্তিয়ে গা কৰি উঠা দেখিবলৈ পাইছিল। এয়ে দেশৰ স্বাধীনতাক বিপন্ন কৰিব পাৰে বুলি নেহেৰুৰ ধাৰণা হৈছিল। সেই কাৰণে তেওঁ জাতীয় সংহতি স্থাপনৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছিল। শক্তিশালী জাতীয়তাবাদী ভাবধাৰাৰ বিকাশৰ ফলত ভাৰতীয়সকলে দেশৰ স্বাধীনতা অৰ্জন কৰিব

Scanned by CamScanner

পাৰিছিল। সেইদৰে স্বাধীনোত্তৰ ভাৰতত বিভিন্ন উপায়ে জাতীয় সংহতি ৰক্ষা কৰিব লাগিব। ভাৰতীয় জাতীয়তাবাদ শক্তিশালী নহ'লে বিচ্ছিন্নতাবাদী শক্তিয়ে গা কৰি উঠিব আৰু দেশৰ স্বাধীনতা বিপন্ন হ'ব। সেয়েহে নেহেৰুৱে জাতীয়তাবাদক শক্তিশালী কৰাৰ বাবে জাতীয় সংহতি ৰক্ষা কৰিবলৈ আহ্বান জনাইছিল।

এতিয়া দেখা গ'ল যে নেহেৰু জাতীয়তাবাদৰ এজন সমৰ্থক আছিল। তেওঁ জাতিভিত্তিক ৰাষ্ট্ৰক সমৰ্থন কৰিছিল। পৃথিবীৰ পৰাধীন জাতিবিলাকৰ স্বাধীনতাৰ বাবে নেহেৰুৱে সমৰ্থন জনাইছিল। তেওঁৰ মতে জাতিভিত্তিক ৰাষ্ট্ৰই দেশৰ জনসাধাৰণৰ বিভিন্ন সমস্যা সমাধান কৰাত সক্ষম হ'ব আৰু আন্তৰ্জাতিকতাবাদৰ ভেঁটি সুদৃঢ় কৰিব। ইয়াৰ ফলত দেশবিলাকৰ মাজত সহযোগিতা বৃদ্ধি পাব। আগতে কোৱা হৈছে যে নেহেৰু জাতীয়তাবাদী হ'লেও তেওঁ উগ্ৰ জাতীয়তাবাদী নাছিল। তেওঁ নিজৰ জাতিক ভালপায়, কিন্তু আন জাতিক তেওঁ কেতিয়াও হিংসা আৰু ঘিণ কৰা নাছিল। এছিয়া আৰু আফ্ৰিকাৰ অনুন্নত দেশবিলাকৰ জনসাধাৰণৰ জাতীয়তাবাদৰ প্ৰতি নেহেৰুৰ পূৰ্ণ সহানুভূতি আৰু সমৰ্থন আছিল। ভাৰতীয় জাতীয়তাবাদক গঢ় দিয়াত নেহেৰুৰ যথেষ্ট অবদান আছে। কিন্তু এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে নেহেৰুৰ জাতীয়তাবাদী ধাৰণা কোনো ঠেক ভিত্তিৰ ওপৰত প্ৰতিষ্ঠিত নহয়। তেওঁৰ জাতীয়তাবাদীৰ ধাৰণাৰ ভিত্তি হ'ল ধৰ্মনিৰপেক্ষতা। এখন দেশৰ মানুহৰ উমৈহতীয়া সংস্কৃতিৰ ভিত্তিত সুস্থ জাতীয়তাবাদক গঢ়ি তুলিব লাগিব। এই ভাৱৰ জৰিয়তে মানুহৰ সকলো দিশতে বিকাশ হ'ব লাগিব। নেহেৰুৰ জাতীয়তাবাদৰ মহৎ উদ্দেশ্য আছে। সেইয়া হ'ল সমূহ জনসাধাৰণৰ কল্যাণ সাধন কৰা।

## নেহেৰুৰ গণতন্ত্ৰৰ ধাৰণা
## (Nehru's Concept of Democracy)

জৱাহৰলাল নেহেৰুৰ গণতন্ত্ৰত আৰু গণতান্ত্ৰিক শাসনব্যৱস্থাত অগাধ বিশ্বাস আছিল। তেওঁৰ মতে গণতন্ত্ৰৰ জৰিয়তেহে মানুহে সুখ-শান্তিত জীয়াই থাকিব পাৰিব। গণতন্ত্ৰ সম্পৰ্কে নেহেৰুৱে আগবঢ়োৱা তেওঁৰ মতামতবিলাক বৰ গুৰুত্বপূৰ্ণ। তেওঁৰ গণতান্ত্ৰিক চৰকাৰৰ বাহিৰে আন কোনো শাসনব্যৱস্থাৰ ওপৰত আস্থা নাছিল। তেওঁ গণতন্ত্ৰক ভালপোৱাৰ মুখ্য কাৰণ হ'ল এয়েই যে গণতান্ত্ৰিক চৰকাৰে মানুহৰ স্বাধীনতাত হস্তক্ষেপ নকৰে।

নেহেৰুৱে প্ৰতিনিধিত্বমূলক চৰকাৰক উত্তম ধৰণৰ গণতান্ত্ৰিক চৰকাৰ বুলি বিবেচনা কৰে। এনে চৰকাৰক জনসাধাৰণৰ প্ৰতিনিধিসকলৰ দ্বাৰা গঠন কৰা হয়। নিৰ্বাচনত যি দলে সংখ্যাগৰিষ্ঠতা লাভ কৰে, সেই দলেই চৰকাৰ গঠন কৰে। এই চৰকাৰ জনসাধাৰণৰ ওচৰত দায়িত্বশীল থাকে। নেহেৰুৱে বৃটেইনৰ চৰকাৰৰ সফলতা দেখি এই ধৰণৰ চৰকাৰৰ প্ৰতি আকৃষ্ট হৈছিল। নেহেৰুৰ প্ৰতিনিধিত্ব চৰকাৰ হ'ল সংসদীয় চৰকাৰ। সেয়েহে তেওঁ ভাৰতবৰ্ষত সংসদীয় চৰকাৰ প্ৰৱৰ্তন কৰাত যথেষ্ট অৰিহণা যোগাইছিল।

নেহেৰুৰ মতে সংখ্যাগৰিষ্ঠৰ শাসনেই হৈছে গণতান্ত্ৰিক শাসন। অৱশ্যে নেহেৰু সংখ্যাগৰিষ্ঠৰ শাসনৰ দোষসমূহৰ বিষয়ে সচেতন আছিল। এই শাসনব্যৱস্থাৰ পৰা

Scanned by CamScanner

সংখ্যালঘুসকলে সুবিচাৰ নাপাব পাৰে। সংখ্যাগৰিষ্ঠৰ শাসনে কেতিয়াবা সংখ্যালঘুৰ স্বাৰ্থ ক্ষুণ্ণ কৰিব পাৰে। ইয়াৰ বাবে নেহেৰুৱে সংখ্যালঘুৰ স্বাৰ্থৰক্ষাৰ্থে সাংবিধানিক ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিছে। সংখ্যালঘুৰ স্বাৰ্থৰক্ষাৰ কাৰণে তেওঁলোকক কিছুমান অধিকাৰ প্ৰদান কৰিব লাগিব যাতে কোনেও তেওঁলোকৰ ধৰ্ম আৰু সংস্কৃতিত ব্যাঘাত জন্মাব নোৱাৰে। ভাৰতীয় সংবিধানে সংখ্যালঘু লোকৰ স্বাৰ্থৰক্ষাৰ্থে বহুতো ব্যৱস্থা গ্ৰহণ কৰিছে।

প্ৰকৃতাৰ্থত গণতান্ত্ৰিক শাসনব্যৱস্থা প্ৰবৰ্তন কৰিবলৈ হ'লে ভোটাধিকাৰৰ সম্প্ৰসাৰণ কৰিব লাগিব। সেয়েহে নেহেৰুৱে সাৰ্বজনীন ভোটাধিকাৰক সমৰ্থন কৰিছিল। প্ৰতিজন প্ৰাপ্তবয়স্ক লোকক ভোটাধিকাৰ দিয়া উচিত। এই অধিকাৰ যাতে জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে দিয়া হয় তাৰ প্ৰতি চকু দিব লাগিব। সেইকাৰণে ভাৰতবৰ্ষৰ সংবিধানে আমাৰ গণতান্ত্ৰিক ব্যৱস্থাক শক্তিশালী কৰিবৰ বাবে জনসাধাৰণক সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰৰ নীতিমতে ভোটদানৰ ক্ষমতা প্ৰদান কৰিছে।

গণতন্ত্ৰত যে ৰাজনৈতিক দল অপৰিহাৰ্য সেই সম্পৰ্কেও নেহেৰুৱে তেওঁৰ মত প্ৰকাশ কৰিছে। নেহেৰুৱে প্ৰথমে দ্বি-দলীয় ব্যৱস্থাক সমৰ্থন কৰা নাছিল। তেওঁৰ মতে দ্বি-দলীয় ব্যৱস্থাত জনসাধাৰণৰ মত প্ৰকাশৰ সুবিধা সীমিত থাকে। পিছত তেওঁ এই মত সলনি কৰি দ্বি-দলীয় ব্যৱস্থাক সমৰ্থন কৰিছিল। কাৰণ, তেওঁ ভাৰতবৰ্ষত বহু দলীয় প্ৰথাৰ কুফলসমূহ দেখিবলৈ পাইছিল। তেওঁৰ মতে ৰাজনৈতিক দলবিলাক শৃঙ্খলাবদ্ধ হ'ব লাগিব। তেতিয়াহে দলে সুদক্ষ নেতাৰ যোগান ধৰিব পাৰিব। শৃঙ্খলাবদ্ধ ৰাজনৈতিক দল নহ'লে গণতান্ত্ৰিক শাসনব্যৱস্থাক ভালদৰে পৰিচালনা কৰিব নোৱাৰি। নেহেৰুৰ ভাৰতীয় জাতীয় কংগ্ৰেছৰ ওপৰত সম্পূৰ্ণ আস্থা আছিল। তেওঁ কেইবাবাৰো এই দলৰ নেতৃত্ব বহন কৰিছিল। এই দলৰ জৰিয়তেই তেওঁ কেইবাবছৰ ভাৰতবৰ্ষৰ শাসনকাৰ্য পৰিচালনা কৰিছিল। বিৰোধী দলৰ প্ৰতি নেহেৰু সহনশীল আছিল। তেওঁ সদায় গঠনমূলক সমালোচনাৰ প্ৰতি আদৰণি জনাইছিল।

নেহেৰুৱে কৈছিল যে গণতন্ত্ৰৰ ভেঁটি শক্তিশালী কৰিবলৈ হ'লে সামাজিক সমতা প্ৰতিষ্ঠা কৰা প্ৰয়োজন। সমাজত জনসাধাৰণৰ মাজত একতা নাথাকিলে গণতন্ত্ৰ কৃতকাৰ্য নহ'ব পাৰে। নেহেৰু জাতিভেদ প্ৰথাৰ বিৰোধী আছিল। ভাৰতবৰ্ষত প্ৰচলিত জাতিভেদ প্ৰথা নিৰ্মূলৰ বাবে তেওঁ চেষ্টা কৰিছিল। নেহেৰুৱে জাতিভেদ প্ৰথাক সামাজিক প্ৰগতিৰ প্ৰতিবন্ধক বুলি কৈছে। সেইদৰে নেহেৰুৱে অস্পৃশ্যতাৰ বিৰোধিতা কৰিছিল। তেওঁৰ চেষ্টাৰ জৰিয়তে অস্পৃশ্যতাক দণ্ডনীয় অপৰাধ বুলি ঘোষণা কৰা হৈছে।

জৱাহৰলাল নেহেৰু অৰ্থনৈতিক সমতাৰো এজন সমৰ্থক আছিল। তেওঁৰ মতে জনসাধাৰণৰ মাজত অৰ্থনৈতিক সমতা নাথাকিলে গণতন্ত্ৰৰ ভেঁটি শক্তিশালী নহয়। সেয়েহে নেহেৰুৱে দৰিদ্ৰতাক দূৰ কৰি জনসাধাৰণৰ মাজত অৰ্থনৈতিক সমতা প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছিল। নেহেৰু শ্ৰেণী বৈষম্যৰ বিৰোধী আছিল। এক শ্ৰেণীয়ে যাতে আন শ্ৰেণীক অৰ্থনৈতিকভাৱে শোষণ কৰিব নোৱাৰে তাৰ ব্যৱস্থা লোৱাৰ ওপৰত নেহেৰুৱে গুৰুত্ব আৰোপ কৰিছিল।

Scanned by CamScanner

নেহেৰুৱে সমাজবাদী নীতিৰে গণতান্ত্ৰিক ব্যৱস্থাৰ ভেঁটিক টনকিয়াল কৰিব বিচাৰিছিল। তেওঁ ভাৰতবৰ্ষত গণতান্ত্ৰিক সমাজবাদ প্ৰতিষ্ঠাৰ বাবে বৰ আগ্ৰহী আছিল। গণতান্ত্ৰিক সমাজত বসবাস কৰা সকলো মানুহৰ কল্যাণ সাধনৰ বাবে চেষ্টা কৰিব লাগিব। তেওঁ এই ব্যৱস্থাত এমুঠিমান মানুহে সকলো সুবিধা ভোগ কৰাটো নিবিচাৰে। সামগ্ৰিক উন্নতি সাধন কৰাটো গণতন্ত্ৰৰ লক্ষ্য হোৱা উচিত।

গণতন্ত্ৰত শান্তিপূৰ্ণ নীতিক মানি চলা উচিত। নেহেৰুৰ মতে জনসাধাৰণ সহনশীল আৰু শান্তিপ্ৰিয় নহ'লে গণতান্ত্ৰিক ব্যৱস্থাক কৃতকাৰ্য কৰাত বহুতো অসুবিধাই দেখা দিব পাৰে। গণতন্ত্ৰত আলাপ-আলোচনাৰ মাধ্যমেৰে সকলো সমস্যাক সমাধান কৰিব লাগে। গণতান্ত্ৰিক চৰকাৰে জনমতৰ ওপৰত গুৰুত্ব দিয়া উচিত। গণতান্ত্ৰিক শাসনব্যৱস্থাত আগভাগ ল'বলৈ জনসাধাৰণ আগবাঢ়ি অহা উচিত। সকলো সমস্যা সমাধান কৰোঁতে শান্তিপূৰ্ণ আৰু সাংবিধানিক পদ্ধতিক প্ৰয়োগ কৰিব লাগে। নেহেৰুৰ মতে কোনো সমস্যা সমাধানৰ বাবে কেতিয়াও হিংসাৰ আশ্ৰয় লোৱা উচিত নহয়।

গণতন্ত্ৰত নাগৰিকসকলে স্বাধীনতা ভোগ কৰাৰ অধিকাৰ থাকিব লাগিব। তেওঁৰ মতে বিৰোধী মতক নাশ কৰিবলৈ চেষ্টা কৰা উচিত নহয়। সকলোকে স্বাধীনতা ভোগ কৰিবলৈ দিব লাগে বুলি নেহেৰুৱে মত প্ৰকাশ কৰিছে। তেওঁ কৈছে, "To rush a contrary opinion forcibly and allow it no expression, because we dislike it, is essentially of the same genus as cracking the skull of an opponent because we disapprove of him." ।

এইদৰে দেখা যায় যে জৱাহৰলাল নেহেৰুৰ গণতন্ত্ৰৰ ওপৰত গভীৰ বিশ্বাস আছিল, তেওঁ নিজৰ জীৱন-কালত সদায় গণতান্ত্ৰিক নীতিক পালন কৰিছিল আৰু জনসাধাৰণৰ ওপৰ চাপিবলৈ চেষ্টা কৰিছিল। নেহেৰুৱে ভাৰতীয় গণতন্ত্ৰক এটি সুস্থ ভেঁটিৰ ওপৰত প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছিল। পৃথিৱীত যাতে গণতন্ত্ৰৰ বিকাশ হয় নেহেৰুৱে সেইটোকে কামনা কৰিছিল।

Scanned by CamScanner